# Prime Minister participates in two sessions on the second day of G7 Summit

June 13, 2021

# প্ৰধানমন্ত্ৰীয়ে জি৭ শীৰ্ষ সন্মিলনৰ দ্বিতীয় দিনা দুখন অধিবেশনত যোগ দিয়ে

**জুন 13, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে, জি৭ শীৰ্ষ সন্মিলনত আউটৰিচ অধিবেশনৰ দ্বিতীয় দিনা – “মুক্ত সমাজ আৰু অৰ্থনীতি আকৌ একেলগে গঢ়ি তুলিম” আৰু “জলবায়ু আৰু প্ৰকৃতিৰ সবুজায়ন কৰিম” শীৰ্ষক দুটা আলোচনাত যোগ দিয়ে।

মুক্ত সমাজ শীৰ্ষক আলোচনাত শ্ৰী মোদীয়ে প্ৰধান বক্তা হিচাপে জনায় যে ভাৰতীয় সভ্যতাত গণতন্ত্ৰ আৰু স্বাধীনতা অবিচ্ছেদ্য অঙ্গ। মুক্ত সমাজৰ বিষয়ে বিভিন্ন নেতৃবৃন্দৰ সৈতে তেৰোঁ চাইবাৰ জগতৰ নিৰাপত্তাহীনতা আৰু ভুল তথ্য প্ৰচাৰৰ প্ৰসঙ্গত উদ্বেগ প্ৰকাশ কৰিছে। চাইবাৰ জগতৰ মাধ্যমক গণতান্ত্ৰিক মূল্যবোধক আগবঢ়াই লৈ যোৱাৰ কামত ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দি তেওঁ কয় যে ইয়াৰ অপব্যৱহাৰ কৰিলে নহ'ব। বিশ্বৰ কোনো কোনো প্ৰতিষ্ঠানৰ অগণতান্ত্ৰিক আৰু অসাম্য নীতি অনুসৰণ কৰি পৰিচালনাৰ দিশটোৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে মুক্ত সমাজত বহুপাক্ষিক ব্যৱস্থাপনাৰ সংস্কাৰক সবাতোকৈ ভাল অঙ্গীকাৰ বুলি মন্তব্য কৰিছে। বৈঠকৰ শেষত নেতৃবৃন্দই এটা মুক্ত সামাজিক ব্যৱস্থা গ্ৰহণৰ কথা কৈছে।

জলবায়ু পৰিবৰ্তন শীৰ্ষক আলোচনাত প্ৰধানমন্ত্ৰীয়ে কৈছে, এই গ্ৰহৰ জলবায়ু, জীৱবৈচিত্ৰ্য আৰু মহাসাগৰ ৰক্ষা কৰিবলৈ হ'লে দেশসমূহৰ একক উদ্যোগত সেইটো সম্ভৱ নহয়। তেওঁ জলবায়ু পৰিবৰ্তন সংক্ৰান্ত সমস্যাৰ সমাধানৰ বাবে সমষ্টিগত উদ্যোগৰ আহ্বান জনাইছে। জলবায়ু পৰিবৰ্তন ৰোধত ভাৰতৰ দৃঢ় অঙ্গীকাৰৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ২০৩০ চনৰ ভিতৰত ভাৰতীয় ৰে'লৰ কাৰ্বন নিঃসৰণ সম্পূৰ্ণ বন্ধ কৰাৰ প্ৰতিশ্ৰুতিৰ কথা জনাইছে। পেৰিছ চুক্তিৰ বাস্তৱায়নত যি অঙ্গীকাৰ কৰা হৈছে, জি২০ গোষ্ঠীভুক্ত দেশসমূহৰ ভিতৰত ভাৰতেই একমাত্ৰ সঠিক পথত আগুৱাইছে। তেওঁ দুটা বৃহৎ আন্তৰ্জাতিক উদ্যোগত ভাৰতৰ ভূমিকাৰ কথা উল্লেখ কৰিছে। এইবিলাক হ'ল – চিডিআৰআই আৰু আন্তৰ্জাতিক সৌৰ জোট। জলবায়ুৰ পৰিবৰ্তন ৰোধত আৰু অধিক আৰ্থিক সহায়তাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি প্ৰধানমন্ত্ৰীয়ে উন্নয়নশীল দেশসমূহৰ বাবে এটা সমষ্টিগত উদ্যোগৰ ওপৰত গুৰুত্ব দিয়ে। জলবায়ু পৰিবৰ্তন সমস্যাৰ সমাধানৰ বাবে এটা সৰ্বাঙ্গীন উদ্যোগ গ্ৰহণ কৰিব লাগিব। যাৰ সহায়ত এই সমস্যাসমূহৰ প্ৰশমন, ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ, প্ৰযুক্তি হস্তান্তৰ, সাম্য আৰু জীৱনযাত্ৰাৰ পৰিবৰ্তন ঘটাব লাগিব।

মুক্ত আৰু গণতান্ত্ৰিক সমাজ তথা অৰ্থনীতিত স্বাস্থ্য, জলবায়ু পৰিবৰ্তন আৰু অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ দৰে আন্তৰ্জাতিক সমস্যাসমূহৰ মোকাবিলা কৰিবলৈ সহমৰ্মিতা আৰু ঐক্যৰ

**ওপৰত গুৰুত্ব দি প্ৰধানমন্ত্ৰীয়ে** যি বক্তব্য দাঙি ধৰে, সেয়া সন্মিলনত অংশগ্ৰহণকাৰী নেতৃবৃন্দৰ দ্বাৰা সমাদৃত হৈছে।

**নতুন দিল্লী**
**জুন 13, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.